কৰ্মকাৰকৰ শূন্য বিভক্তি যোগ হৈছে বুলি ধৰা হয়। আনহাতে

শিক্ষকে ছাত্ৰক পঢ়াইছে।

আয়ে মগনীয়াটোক চাউল দিছে।

এই দুটা বাক্যত কৰ্তা শিক্ষক আৰু আয়ে ক্ৰমে পঢ়োৱা আৰু চাউল দিয়া কাৰ্য সম্পন্ন কৰিছে কৰ্ম ছাত্ৰক আৰু মগনীয়াটোক পদৰ ওপৰত। এই পদ দুটাত দ্বিতীয়া -অক/-ক বিভক্তি যোগ হৈছে।

কেতিয়াবা একেটা বাক্যতে এটা সকৰ্মক ক্ৰিয়াৰ দুটা কৰ্ম থাকে। যেনে, মই তাক অংক শিকাইছো। এই বাক্যত **শিকাইছোঁ** ক্ৰিয়াৰ লগত অংকৰ সম্বন্ধ প্ৰধান, গতিকে ই প্ৰত্যক্ষ কৰ্ম আৰু অপ্ৰধানভাৱে সম্বন্ধ থকা - '**তাক**' টো পৰোক্ষ কৰ্ম। কেতিয়াবা একে ধাতুৰপৰা ওলোৱা বিশেষ্য শব্দটো সেই ধাতুৰ ক্ৰিয়া ৰূপৰ কৰ্ম হয়। এনে কৰ্মক সম্বন্ধী কৰ্ম বোলে। যেনে, তই মাত নেমাতিবি। ইয়াত মাত্ ধাতুৰ পৰা ওলোৱা মাত বিশেষ্যটো সম্বন্ধী কৰ্ম।

**ধিক্** শব্দৰ যোগতো বিশেষ্যত দ্বিতীয়া বিভক্তি হয়। যেনে,

তেনে **মানুহক ধিক্**।

**ধিক্** তোৰ জীৱন। (শূন্য বিভক্তি)

আদি, অনুসৰি, পৰ্যন্ত শব্দৰ যোগতো নামপদত দ্বিতীয়া বিভক্তি যোগ হয়। এনে শব্দৰ আগত থকা নামপদটোত প্ৰায়ে শূন্য বিভক্তি যোগ হয়। যেনে,

**যাদৱকে আদি** কৰি সকলো আহিল।

**আজি** (আজিক) **পৰ্যন্ত** টকাখিনি ঘূৰাই নিদিলে।

**আহিঁ** (আহিঁক) অনুসৰি কিছুমান কাম কৰিব লাগে।

**কৰণ কাৰক ঃ** 'ক্ৰিয়া নিষ্পত্তিৰ সৰ্ব প্ৰধান উপায়ে হ'ল কৰণকাৰক। অৰ্থাৎ যাৰ বা যিহৰ দ্বাৰাই কৰ্তাই ক্ৰিয়া সম্পন্ন কৰে' সেইটোৱে কৰণকাৰক। কৰণ কাৰকত তৃতীয়া বিভক্তি -ৰে/-এৰে যোগ হয়। যেনে,

তেওঁ **কাণেৰে** কম শুনে।

**হাতেৰে** নাখাবা, **চামোচেৰে** খোৱা।

দাখন লোৰে গঢ়া।

ইয়াত ক্ৰমে কম শুনা, নাখাবা, খোৱা আৰু গঢ়া কাৰ্য সম্পন্ন হৈছে ক্ৰমে কাণ, হাত চামুচ আৰু লোৰ দ্বাৰা। গতিকে কাণেৰে, হাতেৰে, চামুচেৰে আৰু লোৰে কৰণ কাৰক আৰু ইয়াত তৃতীয়া বিভক্তি -এৰে/-ৰে যোগ হৈছে।

ষষ্ঠী -ৰ বিভক্তিযুক্ত পদৰ পিছত দি,দ্বাৰা, সৈতে, হতুৱাই, জৰিয়তে আদি অনুপদ যোগ দিও কৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে,

**তাৰদ্বাৰা** কামটো কৰোৱা হ'ল।

ৰীতা **দেউতাকৰসৈতে** দিল্লীলৈ গৈছে।

**মাধৱৰহতুৱাই** বা **জৰিয়তে** তাক খবৰটো দিয়া হ'ল।

প্ৰথমা -এ বিভক্তিৰ যোগতো কৰণকাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে, দশৰথ **নামে** (নামেৰে) এজন ৰজা আছিল।

**নিমিত্ত কাৰক ঃ** "উদ্দেশ্য, লক্ষ্য, দিশ, নিমিত্ত আদি অৰ্থত ক্ৰিয়াৰ লগত যিবোৰ শব্দৰ সম্পৰ্ক ঘটে, সেইবোৰেই নিমিত্ত কাৰক।"

নিমিত্ত কাৰকত চতুৰ্থী বিভক্তি -লৈ/-অলৈ যোগ হয়। যেনে,

**পৰীক্ষালৈ** আৰু মাত্ৰ চাৰিদিন আছে।

দেউতা **ইংলেণ্ডলৈ** গৈছে।

**সাপলৈ** মোৰ বৰ ভয় লাগে।

উল্লিখিত বাক্য তিনিটাত **পৰীক্ষা**, **ইংলেণ্ড** আৰু সাপ শব্দত চতুৰ্থী -লৈ/-অলৈ বিভক্তি যোগ হোৱাত ইহঁত নিমিত্তকাৰকৰ পদ হৈছে।

কিছুমান অসমীয়া ব্যাকৰণত সংস্কৃত সম্প্ৰদান কাৰকৰ আৰ্হিত অসমীয়াতো -লৈ/-অলৈ বিভক্ত্যন্ত পদবোৰক সম্প্ৰদান কাৰক বোলা হৈছে। কিন্তু -লৈ/-অলৈ বিভক্ত্যন্ত পদে সংস্কৃতৰ দৰে স্বত্ব ত্যাগ কৰি দান কৰা নুবুজায়; ওপৰত দেখুওৱাৰ দৰে প্ৰতি, অভিমুখ, নিমিত্ত আদি অৰ্থহে প্ৰকাশ কৰে। সেয়েহে অসমীয়াত সম্প্ৰদান কাৰকক নিমিত্তকাৰক বোলা হৈছে। সম্প্ৰদান অৰ্থত অসমীয়াত দ্বিতীয়া বিভক্তিহে যোগ হয়। যেনে, **দুখীয়াক** দান কৰিবা।

**অপাদান কাৰক ঃ** 'যাৰ পৰা বা যিহৰপৰা উৎপন্ন হোৱা, আৰম্ভ হোৱা বা নিৰন্ত হোৱা, পতিত হোৱা, ভয় খোৱা, ৰক্ষা পোৱা; আঁতৰ হোৱা' বুজায়, তাক অপাদান কাৰক বোলা হয়। অপাদান কাৰকত ষষ্ঠী-ৰ বিভক্ত্যন্ত পদৰ পাছত 'পৰা' অনুপদ যোগ কৰা হয়। যেনে,

**তিলৰপৰা** তেল ওলায়।

এৰৈশ **মাৰ্চৰপৰা** বছেৰেকীয়া পৰীক্ষা হ'ব।

**গছৰপৰা** ফল সৰিছে।

**বিপদৰপৰা** কোনো মতে হাত সাৰিলোঁ।